# যীচুৱে কৰাৰ দৰে পিতৰ আৰু আনসকলে শিষ্য কৰিছিল

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন D3b পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** "হে আমাৰ স্বৰ্গত থকা পিতৃ, আমাৰ প্ৰিয় প্ৰভু আৰু ত্ৰাণকৰ্ত্তা যীচু খ্ৰীষ্টৰ প্ৰকৃত শিষ্য হ'বলৈ মই চলোৱাসকলক আৰু মোক সহায় কৰক। তেওঁৰ বাধ্য হ'বলৈ আৰু তেওঁক প্ৰেম কৰা শিষ্যসকলে মানুহে বনোৱা সকলো নীতি-নিয়মতকৈ তেওঁৰ আজ্ঞা পালন কৰিবলৈ সহায় কৰক। তেওঁৰ নামত প্ৰাৰ্থনা কৰোঁ, আমেন।"


**১। পিতৰ আৰু আন পাঁচনিবিলাকে নতুন বিশ্বাসীসকলক কেনেকৈ মজবুত শিষ্য কৰিছিল, প্ৰকাশ কৰক।**

- যিৰূচালেমত পেন্টিকষ্টৰ দিনা গোটেই ৰোমীয় সাম্ৰাজ্যৰ যিহূদীবিলাকে পিতৰৰ কথা শুনিছিল। অনেক বিৰোধী আছিল, কিন্তু পিতৰে তেওঁলোকক ক'লে, "হে ইস্ৰায়েলীয়া মানুহবিলাক, এই কথা শুনা। নাচৰতীয়া যীচু পৰাক্ৰম কাৰ্য্য, অদ্ভুত লক্ষণ আৰু চিনবোৰৰ দ্বাৰাই তোমালোকলৈ ঈশ্বৰৰ পৰা প্ৰমাণিত মনুষ্য.....তোমালোকে অধৰ্ম্মীবোৰৰ হতুৱাই ক্ৰুচত বধ কৰালা; কিন্তু ঈশ্বৰে তেওঁক মৃত্যু-যন্ত্ৰণাৰ পৰা মুক্ত কৰি পুনৰায় তুলিলে....এই কাৰণে, যি যীচুক তোমালোকে ক্ৰুচত দিলা, তেওঁক ঈশ্বৰে প্ৰভু আৰু খ্ৰীষ্ট পাতিলে, ইস্ৰায়েলৰ সকলো মানুহে ইয়াক নিশ্চয়কৈ জানক" পাঁচনিৰ কৰ্ম্ম ২ঃ২২-৩৬।



- সেইদিনা মন পালটন কৰা যিহূদীবিলাক বাপ্তাইজিত হ'ল আৰু প্ৰথম খ্ৰীষ্টিয়ান মণ্ডলীত ভুক্ত কৰা হ'ল, পাঁচনিৰ কৰ্ম্ম ২ঃ৩৮-৪১।
- আশ্চৰ্য্যজনক ভাবে, পাঁচনিৰ কৰ্ম্ম ২ অধ্যায় শেষ হোৱা আগেয়ে, সেই হাজাৰ হাজাৰ নতুন বিশ্বাসীবিলাকে যীচুৰ সকলোবোৰ আজ্ঞা পালন কৰিবলৈ ধৰিলে। ইমান সোনকালে ই কেনেকৈ সম্ভৱ হ'ল? পিতৰ আৰু তেওঁৰ লগৰীয়া সকলে কি কৰিলে চাওঁ আহক, যাতে যেন আমিও তেনে কৰিব পাৰো।
- পঞ্চাশ দিনীয়া পৰ্ব্বৰ সাত সপ্তাহ আগেয়ে, যীচু মৃত্যুৰ পৰা উঠি, ৪০ দিনলৈকে অনেক পাঁচনিবিলাকৰ আগত দেখা দি তেওঁলোকক তেওঁৰ শেষ পৰামৰ্শ দিলে। পঞ্চাশ দিনীয়া পৰ্ব্বৰ ১০ দিন আগেয়ে পাঁচনি বিলাকে যীচুক আকাশলৈ উঠা দেখিলে।
- যীচুৱে অনেক আজ্ঞাবোৰ দিছে। আমি এই আজ্ঞাবোৰ সাতটা 'প্ৰধান' আজ্ঞাৰ তলত ৰাখিব পাৰোঁ, যি তিনি হাজাৰ নতুন বিশ্বাসীবিলাকে তেওঁলোকৰ প্ৰথম গঠনতে ৰাখিবলৈ আৰম্ভ কৰিছিল (পাঁচনিৰ কৰ্ম্ম ২ অধ্যায়), কেৱল প্ৰেমৰ বিষয়ে তেওঁলোকে উল্লেখ কৰা নাছিল, যি সহভাগিতা আৰু ভগাই লোৱাৰ দ্বাৰাই তেওঁলোকে দেখুৱাইছিল।
- পিতৰৰ দৰে, ভাল শিষ্য আৰু সকলোকে যীচুৰ আজ্ঞাবোৰ পালন কৰিবলৈ শিকাইছিল। ছিঙিব নোৱাৰা শিকলিৰ দৰে, সম্পূৰ্ণ বাধ্যতাই জাকক মজবুত কৰে।

- তলত দিয়া সাতোটা আজ্ঞাবোৰ মন কৰক আৰু আপোনাৰ জাকে অধিককৈ বাধ্য হোৱাৰ প্ৰয়োজনীয় আজ্ঞাত চিন দিয়ক।




১। **মন পালটন, বিশ্বাস আৰু পবিত্ৰ আত্মা গ্ৰহণ কৰা**

পৰিবৰ্ত্তন, পুৰ্নজন্ম, মাৰ্ক ১ঃ১৫; যোহন ৩ঃ১৬; যোহন ২০ঃ২২।

২। **বাপ্তাইজিত হোৱা**

বাপ্তিস্মৰ দ্বাৰাই নতুন, ৰূপান্তৰিত জীৱন আৰম্ভ হ'বলৈ দিয়ক, পাঁচনিৰ কৰ্ম্ম ২ঃ৩৫; মথি ২৮ঃ১৮-২০

৩। **প্ৰেম**

ঈশ্বৰ, ওচৰ-চুবুৰীয়া, বিশ্বাসীসকলক, প্ৰয়োজনত থকা আৰু শত্ৰুক প্ৰেম কৰা (ক্ষমা কৰিবা) মথি ২২ঃ৩৬-৪০; যোহন ১৩ঃ৩৪-৩৫; লূক ১০ঃ২৫-৩৭; মথি ৫ঃ৪৩-৪৮।

৪। **পিঠা ভঙা**

প্ৰভুৰ ভোজ (প্ৰভুৰ মেজ), আমি উপাসনাৰ নিমিত্তে কৰা সকলোৰে লগত ইয়াৰ সম্বন্ধ, মথি ২৬ঃ২৬-২৮; যোহন ৪ঃ২৪।

৫। **প্ৰাৰ্থনা**

যীচুৰ নামেৰে, গুপুতে আৰু পৰিয়ালৰ লগত, নিবেদন কৰা আৰু আত্মিক যুদ্ধত প্ৰৰ্থনা কৰা, যোহন ১৬ঃ২৪।

৬। **দান কৰা**

আমাৰ টকা-পইচা, সময় আৰু গুণবোৰৰ ঘৰগিৰী, লূক ৬ঃ৩৮; মথি ৬ঃ১-৪।

৭। **শিষ্য কৰা** (খ্ৰীষ্টৰ সাক্ষ্য হোৱা, তেওঁৰ জাকক চলোৱা, তেওঁৰ বাক্য ব্যৱহাৰ কৰা, চলাওঁতাসকলক প্ৰশিক্ষণ দিয়া, মিশ্যনেৰী পঠোৱা মথি ২৮ঃ১৮-২০।)

**মুখস্থ কৰক ঃ** যীচুৰ মহান আজ্ঞা-মথি ২৮ঃ১৮-২০। পদকেইটাত তলত দিয়া কথাবোৰলৈ মন কৰক ঃ

- কি ক্ষমতাৰে যীচুৱে তেওঁৰ অনুগামীসকলক শিষ্য কৰিবলৈ আজ্ঞা দিছিল?
- কোনো ৰজা, ৰাষ্ট্ৰপতি অথবা সৈন্য বাহিনীৰ অধ্যক্ষৰ ক্ষমতাতকৈ অধিক মহান স্বৰ্গ আৰু পৃথিৱীৰ সকলো ক্ষমতাৰে পুনৰুত্থিত, বিজয়ী খ্ৰীষ্টে আমাক আজ্ঞা দিছে। শিষ্য কৰিবলৈ, কাৰ ওচৰলৈ যাবলৈ যীচুৱে আমাক আজ্ঞা দিছে?
- বাপ্তাইজিত কৰাৰ বাহিৰে, সকলো লোকক শিষ্য কৰিবলৈ কেনেকৈ তেওঁ কৈছে?
- যীচুৱে কি আশ্বাসৰ প্ৰতিজ্ঞা দিছে, যিহে তেওঁৰ সকলো আজ্ঞাবোৰ শিষ্যবিলাকক পালন কৰিবলৈ পৰামৰ্শ দিয়াৰ মহান কাম সুচল কৰিছে?
- পাঁচনিৰ কৰ্ম্ম ১ঃ১৪ পদত চাওঁক, পঞ্চাশ দিনীয়া পৰ্ব্বৰ দিনা ঈশ্বৰে তেওঁৰ পৰাক্ৰমী কাৰ্য্য আৰম্ভ কৰোঁতে যীচুৰ অনুগামী সকলে কি কৰিছিল?
- পাঁচনিৰ কৰ্ম্ম ২ঃ১-২৪ পদত চাওক, পবিত্ৰ আত্মাই পাঁচনিবিলাকক কি কৰিবলৈ সক্ষম কৰিছিল, পিতৰৰ বক্তৃতা শুনাৰ পিছত যিহূদী বিলাকে নিশ্চয়কৈ জানিলে।

২। **সপ্তাহটোৰ আঁচনি সহ-কৰ্ম্মীসকলৰ লগত কৰক**

- লোকবিলাকে মনত ৰাখিবলৈ, যীচুৰ প্ৰধান আজ্ঞাবোৰৰ বিষয়ে এটি গীত লিখিবলৈ এগৰাকী ব্যক্তিক কওক।

- যীচুৰ প্ৰধান আজ্ঞাবোৰ পালন নকৰা বিশ্বাসীসকলক পৰিদৰ্শন কৰক আৰু পৰামৰ্শ দিয়ক।
- আমি গঢ়ি তোলা সকলো পৰিচৰ্য্যাৰ ভেঁটি এই আজ্ঞাবোৰ - বৰ্ণনা কৰক।
- বৰ্ণনা কৰক যে বিশ্বাসীসকলে যদিও দিন-ৰাতিয়ে ঈশ্বৰৰ প্ৰশংসা কৰে, কিন্তু প্ৰেমত যীচুৰ আজ্ঞাবোৰ তেওঁবিলাকে পালন নকৰে, তেন্তে তেওঁলোকৰ প্ৰশংসা ঈশ্বৰে গ্ৰহণ নকৰে, মথি ১৪ঃ১-৮।

**৩। হ'বলগীয়া উপাসনা সময়ৰ আঁচনি সহ-কৰ্ম্মীসকলৰ লগত কৰক**

থলুৱা কোনো ঘটনাৰ সময় আৰু ৰীতি-নীতি খাপ খোৱা কাম-কাজবোৰ বাচি লওঁক, আৰু সেইমতে পৰিবেশন কৰক।

প্ৰথম মণ্ডলীৰ কাহিনীটো কওক আৰু প্ৰথমৰে পৰাই যীচুৰ আজ্ঞাবোৰ পালন কৰিবলৈ অনেক নতুন বিশ্বাসীসকলক কেনেকৈ পিতৰ আৰু তেওঁৰ শিষ্যবিলাকে শিকাইছিল।

- যীচুৰ শেষ উপদেশবোৰৰ গুৰুত্ব বৰ্ণনা কৰক, মথি ২৮ঃ১৮-২০।
- যীচুৰ সাতোটা প্ৰধান আজ্ঞাবোৰ মুখস্থ কৰিবলৈ বিশ্বাসীসকলক সহায় কৰক (ওপৰত দিয়া)।
- এই আজ্ঞাবোৰেই আমাৰ সকলো শিক্ষা আৰু পৰিচৰ্য্যাৰ ভেঁটি-বৰ্ণনা কৰক।
- যীচু, শিলৰ ওপৰত ঘৰ সজা জ্ঞানী মানুহজনৰ দৃষ্টান্তটো নাটক কৰিবলৈ ল'ৰা-ছোৱালীক দিয়ক।
- জ্ঞানী মানুহজনে যীচুৰ আজ্ঞাবোৰ শুনিলে আৰু পালন কৰিলে, বৰ্ণনা কৰক।
- ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰা প্ৰশ্নবোৰ বয়সীয়া সকলক সুধিবলৈ দিয়ক।

যীচুৰে শিষ্য কৰাৰ দৰে আপুনি কৰিবলৈ **পবিত্ৰ আত্মাৰ সহায় খোজক।**

প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ, পাঁচনিৰ কৰ্ম্ম ২ঃ৪৬ পদ পঢ়ক। বৰ্ণনা কৰক যে এইয়ে খ্ৰীষ্টৰ প্ৰধান আজ্ঞা। তেওঁবিলাকৰ ঘৰত পিঠা ভঙাত, প্ৰথম বিশ্বাসীবিলাকে যীচুৰ আজ্ঞা পালন কৰিছিল।

কাম কৰোঁতাসকলৰ পৰা কামৰ ৰিপোৰ্ট বিচাৰক, যিসকলে যীচুৰ আজ্ঞা পালন কৰিবলৈ বিশ্বাসীসকলক শিকাইছিল।

সপ্তাহটোত কৰিবলগীয়া কাম-কাজৰ জাননী আৰু ব্যৱস্থা কৰক।

প্ৰাৰ্থনা, আঁচনি যুগুত আৰু পৰস্পৰে উৎসাহ দিবলৈ দুই বা তিনি জনীয়া গোট গঠন কৰক।

**মুখস্থ কৰক ঃ** যোহন ১৪ঃ১৫ পদ, "তোমালোকে যদি মোক প্ৰেম কৰা, তেন্তে মোৰ আজ্ঞাবোৰ পালন কৰিবা।"

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.